**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

***Headlines***

১। ৰাজ্যত প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চৰকাৰৰ একোখনকৈ বি এছ্ চি নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা।

২। ৰাজ্যৰ বিভিন্ন অংশত কালি বিমান আক্ৰমণৰ সময়ত বা যুদ্ধকালীন পৰিস্থিতিত নিজক ৰক্ষা কৰাৰ বাবে লবলগীয়া সাৱধানতাৰ অনুশীলন।

৩। চলিত পৰ্যটন বৰ্ষৰ ৭ মাহত পৰ্যটনৰ পৰা মানাহ্ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষহ্ৰ এক কোটি ৫০ লাখ টকা ৰাজহ্ সংগ্ৰহ।

**আৰু**

৪। অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান ২০২৫ কালি গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সাহিত্যচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত প্ৰদান কৰা হয়।

০০০০০০০

–ৰাজ্যত প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চৰকাৰে একোখনকৈ বি এছ্ চি নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছে। তদুপৰি চিকিৎসা মহাবিদ্যালয়সমূহত ৰবটিক অস্ত্ৰোপচাৰ আৰু বৃক্ক সংৰোপনৰ সুবিধা সম্প্ৰসাৰণৰ বিষয়েও চিন্তা-চৰ্চা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কালি স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয় আৰু এই বৈঠকতে এধেৰণৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা হয়। স্বাস্থ্য সুৰক্ষা আৰু চিকিৎসা সম্বন্ধীয় তথ্য বিশ্লেষণত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ বৃদ্ধি, ৰাষ্ট্ৰীয় চিকিৎসালয় আৰু স্বাস্থ্য সেৱা প্ৰদানকাৰীৰ স্বীকৃতি পৰিষদ আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ তথা মান নিৰূপণ পৰীক্ষাগাৰৰ স্বীকৃতি, স্বাস্থ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখতকৈ অধিক নাগৰিকলৈ আয়ুষ্মান কাৰ্ডৰ সুবিধা প্ৰদান, পথ দুৰ্ঘটনাত মৃত্যু হোৱাসকলৰ বাবে প্ৰধানমন্ত্ৰী ৰাহত আঁচনিৰ অধীনত ডেৰ লাখ টকা পৰ্যন্ত সাহায্য প্ৰদান আদি বিষয়ক লৈও বৈঠকত আলোচনা কৰা হয়। অসম কেঞ্চাৰ পৰিচৰ্যা ফাউণ্ডেছনৰ অধীনত নিৰ্মীয়মান ৪ খন কৰ্কট ৰোগৰ

চিকিৎসালয় আৰু এচিষ্ট প্ৰকল্প তথা কৰ্কট ৰোগৰ উন্নত পৰিচৰ্যা সম্বন্ধীয় বিষয়কেইটাও আলোচনাত আগস্থান লাভ কৰে।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই কালি বিভাগীয় আমোলা-বিষয়াসকলৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ অনাগত সময়ৰ বাবে এশদিনীয়া কাৰ্যসূচী প্ৰস্তুত কৰে। বৈঠকত চাহ বাগিচাৰ যিসকল শ্ৰমিকে ভূমি পট্টা লাভ কৰিছে, তেনে শ্ৰমিক পৰিয়ালক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ প্ৰদান নিশ্চিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। বৈঠকত মূলতঃ ১০০ দিনীয়া কৰ্ম পৰিকল্পনা ৰূপায়ণ, খালী পদ পূৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, সেৱা প্ৰদান ব্যৱস্থা সুদৃঢ় কৰা বিষয়সমূহে আগস্থান লাভ কৰে। বৈঠকৰ অন্তত মন্ত্ৰী বৰাই সাংবাদিকৰ আগত কয়, যে ১০০ দিনীয়া কৰ্মসূচীৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টা বিশেষকৈ চাহ বাগিচা অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ বাবে একোটাকৈ ঘৰ নিশ্চিত কৰা হ'ব। আত্ম-সহায়ক গোটসমূহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মৌ পালনৰ সুবিধা প্ৰদানক লৈও বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

(বাইট)

ইপিনে, ষোড়শ বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰাক্ক্ষণত কালি মন্ত্ৰী অতুল বৰাক সংসদীয় পৰিক্ৰমা বিভাগৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হয়। শ্ৰী বৰাই ২১ মে'ৰ পৰা হ'বলগীয়া এই অধিৱেশনত সংসদীয় মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন অংশত কালি বিমান আক্ৰমণৰ সময়ত বা যুদ্ধকালীন পৰিস্থিতিত নিজক ৰক্ষা কৰাৰ বাবে লবলগীয়া সাৱধানতাৰ অনুশীলন অনুষ্ঠিত হয়। শিৱসাগৰত জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত কালি বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত অনুশীলন সফলতাৰে সম্পন্ন হয়। শিৱসাগৰ নগৰৰ কেন্দ্ৰীয় বজাৰ আৰু হাইষ্ট্ৰীট মলত অনুষ্ঠিত এই অনুশীলনত আক্ৰমণৰ সময়ত চাইৰেনৰ জৰিয়তে বিপদৰ সংকেত প্ৰদান, নিষ্প্ৰদীপ, উদ্ধাৰ কাৰ্য, চিকিৎসা সেৱা আৰু অগ্নি নিৰ্বাপক বাহিনীৰ তাৎক্ষণিক উদ্যোগ গ্ৰহণৰ আখৰা প্ৰদৰ্শন কৰা হয়।

তিনিচুকীয়াতো কালি গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি যুদ্ধকালীন সুৰক্ষাৰ অনুশীলন কৰা হয়। তিনিচুকীয়াৰ পুলিচ ৰিজাৰ্ভত দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত এই অনুশীলনত যুদ্ধৰ সময়ত আকাশ মাৰ্গেৰে হ'ব পৰা আক্ৰমণৰ বাবে ল'বলগীয়া সাৱধানতা তথা সুৰক্ষামূলক ব্যৱস্থা সম্পৰ্কে জনসাধাৰণক সজাগ কৰা হয়। এই অনুশীলনত আৰক্ষী, এছ ডি আৰ এফ, ডি ডি আৰ এফ, অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, বিদ্যুৎ আৰু স্বাস্থ্য বিভাগে ভাগ লয়।

কাৰ্বি আংলঙৰ ডিফু-মাঞ্জা পথৰ সাতমাইলস্থিত ডনবস্ক' মহাবিদ্যালয়ত আয়োজিত এই অনুশীলনত জনসাধাৰণক যুদ্ধকালীন পৰিস্থিতিত ল'বলগীয়া সতৰ্কতাৰ বিষয়ে অৱগত কৰোৱা হয়।

ডিব্ৰুগড় জিলাত প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত কল ৰোড এলেকাত এনে অনুশীলনৰ আয়োজন কৰা হয়। সন্ধিয়া চাৰে ছয় বজাৰ পৰা চাৰে সাত বজালৈ অনুষ্ঠিত এই অনুশীলনৰ জৰিয়তে চৰকাৰী বিভাগসমূহৰ কাৰ্যদক্ষতাৰ পৰীক্ষা আৰু জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ছয় বজাত প্ৰথমটো বিপদ সংকেতৰ চাইৰেন বাজি উঠাৰ লগতে ৰাইজক ঘৰৰ বৈদ্যুতিক চুইছসমূহ বন্ধ কৰি নিৰাপদ স্থানত আশ্ৰয় লবলৈ কোৱা হয়।

ধুবুৰীত অসামৰিক প্ৰতিৰক্ষা, অগ্নি আৰু জৰুৰীকালীন সেৱাৰ সহযোগত কালি এনে অনুশীলন চলোৱা হয়। জৰুৰীকালীন চাইৰেনৰ শব্দৰে অনুশীলন আৰম্ভ হয় আৰু পাছত অগ্নি নিৰ্বাপক বাহিনীৰ কৰ্মীসকলে বিমান আক্ৰমণৰ ফলত লগা জুই নিয়ন্ত্ৰণৰ অনুশীলন প্ৰদৰ্শন কৰে। অসামৰিক প্ৰতিৰক্ষাৰ কৰ্মীসকলে আহতসকলক ষ্ট্ৰেচাৰেৰে কঢ়িয়াই নিৰাপদ স্থানলৈ লৈ যায় আৰু প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। আশ্ৰয় স্থল হিচাপে স্থাপন কৰা অস্থায়ী শিবিৰৰ পৰা এম্বুলেন্সেৰে পৰৱৰ্তী চিকিৎসালয়লৈ লৈ যোৱা হয়।

oooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত চলিত পৰ্যটন বৰ্ষত পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ২০২৫-২৬ চলিত পৰ্যটন বৰ্ষৰ ৭ মাহত পৰ্যটনৰ পৰা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এক কোটি ৫০ লাখ টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। বৰ্তমানলৈ উদ্যানখনলৈ ৬১ হাজাৰ দেশী পৰ্যটক আৰু ১৬শ বিদেশী পৰ্যটকৰ আগমণ ঘটিছে বুলি উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ বনৰক্ষী বিষয়া প্ৰাঞ্জল তালুকদাৰে আমাৰ বাক্সা জিলাৰ সংবাদদাতাক জনাইছে।  উল্লেখযোগ্য যে অহা ২৫ জুনলৈ পৰ্যটকৰ বাবে উদ্যানখন খোলা থাকিব বুলি কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

oooooooo

ৰাজ্য চৰকাৰৰ এগৰাকী কেবিনেট মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত নিজ সমষ্টি দুলীয়াজানত উপস্থিত হোৱা মন্ত্ৰী ৰামেশ্বৰ তেলীক সমষ্টিবাসী ৰাইজ, দলীয় নেতা কৰ্মী আৰু বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে আদৰণি জনায়। দুলীয়াজানৰ অইল ইণ্ডিয়া ক্লাৱত কালি অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত মন্ত্ৰী তেলীয়ে সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে অনাগত দিনসমূহত তেওঁ অধিক নিষ্ঠা, সততা আৰু উদ্যমেৰে সমষ্টিবাসীৰ সেৱা কৰি যাব। এই সভাতেই দুলীয়াজানত শিল্পী জুবিন গাৰ্গৰ এটি পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব বুলিও শ্ৰী তেলীয়ে প্ৰকাশ কৰে।

oooooooo

অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান ২০২৫ কালি গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সাহিত্যচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত প্ৰদান কৰা হয়। ধেমাজিৰ বিশিষ্ট গৱেষক, পণ্ডিত, লেখক, চিত্ৰকৰ, ডঃ পুষ্প  গগৈ, ডিব্ৰুগড়ৰ বিশিষ্ট চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, লেখক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সাহিত্যিক, সমালোচক, সাংবাদিক উপেন্দ্ৰ বৰকটকী আৰু বঙাইগাওঁ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক তথা লেখক নোমল মাহাত্তাক এই সন্মান প্ৰদান কৰা হয়।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইটৰাইডাৰ্ছে গুজৰাট টাইটানছক ২৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশৰ আশা সজিৱ কৰি ৰাখে। গুজৰাট টাইটানছে ২৪৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২১৮ ৰান কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গীলে সৰ্বাধিক ৮৫ ৰান কৰে। ছাই সুদৰ্শনে ৫৩ আৰু য'ছ বাটলাৰে ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৈ সুনীল নাৰায়ণে দুটা উইকেট লাভ কৰে। নাৰায়ণক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে কলকাতা নাইটৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। কলকাতাৰ হৈ অ'পেনাৰ ফিন এলনে সৰ্বাধিক ৯৩ ৰান কৰে।

ooooooo

থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ চেট্টিৰ যুটীটো ইণ্ডোনেছিয়াৰ লিঅ' ৰোলী ক'ৰ্নেডো আৰু ডেনিয়েল মাৰ্টিনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে স্বাত্বিকছাইৰাজ আৰু ছিৰাগৰ যুটীটোৱে কালি চেমিফাইনেলত মালয়েছিয়াৰ গোহ ছ্‌জি ফেই আৰু নুৰ ইজুদ্দিনৰ যুটীটোক ১৯-২১, ২২-২০, ২১-১৬ গেমত পৰাস্ত কৰে।

oooooo

**সমাপ্ত**